# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 04-08-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::::

১।	গুজৰাটৰ কাণ্ডলা বন্দৰত থলুৱাভাৱে নিৰ্মিত দেশৰ প্ৰথমটো সেউজ হাইড্ৰজেন প্ৰকল্প কাৰ্যকৰী হোৱাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰশংসা কৰিছে।

২।	ফিলিপিনছৰ ৰাষ্ট্ৰপতি ফাৰ্ডিনেণ্ড আৰ মাৰ্কোছ্ জুনিয়ৰ পাঁচদিনীয়া ভাৰত ভ্ৰমণসূচীৰে আজি সন্ধিয়া নতুন দিল্লীত উপস্থিত হ'ব।

৩।	নতুন দিল্লীৰ ভাৰত মণ্ডপমত প্ৰথমবাৰৰ বাবে আজি সন্ধিয়া BIMSTEC পাৰম্পৰিক সংগীত মহোৎসৱৰ আয়োজন কৰা হৈছে।

৪।	প্ৰতিকূল বতৰৰ বাবে জন্মু-কাশ্মীৰৰ বালতাল আৰু পেহেলগাম দুয়োটা পথেৰে শ্ৰীঅমৰনাথ যাত্ৰা বাতিল কৰা হৈছে।	*আৰু*

৫।	অভেলত অনুষ্ঠিত পঞ্চম তথা অন্তিমখন টেষ্টত ইংলেণ্ডে নিজৰ দ্বিতীয় ইনিংছত ৬ উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ৩৩৯ ৰানৰ পৰা আজি পুনৰ খেল আৰম্ভ কৰিব।

০০০০০

গুজৰাটৰ কাণ্ডলা বন্দৰত থলুৱাভাৱে নিৰ্মিত দেশৰ প্ৰথমটো সেউজ হাইড্ৰজেন প্ৰকল্প কাৰ্যকৰী হোৱাৰ লগে লগে বহনক্ষমতাৰ দিশত এটা গুৰুত্বপূৰ্ণ পদক্ষেপৰ সূচনা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই ব্যৱস্থাৰ প্ৰশংসা কৰিছে। দীনদয়াল বন্দৰ প্ৰাধিকৰণৰ অধীনত নিৰ্মাণ কৰা এই প্ৰকল্পই শূন্য কাৰ্বন নিৰ্গমনৰ লক্ষ্য প্ৰাপ্তিৰ দিশত এটা গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে বিবেচিত হৈছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে শূন্য কাৰ্বন নিৰ্গমনৰ ক্ষেত্ৰত দেশৰ দৃষ্টিভংগীক শক্তিশালী কৰাত এয়া সঁচাকৈয়ে প্ৰশংসনীয় প্ৰচেষ্টা। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী মোদীয়ে যোৱা মে'ত ভূজ ভ্ৰমণৰ সময়ত ১০ মেগাৱাট সেউজ হাইড্ৰজেন প্ৰকল্পৰ আধাৰশিলা স্থাপনৰ মাত্ৰ ৪ মাহৰ পাছতেই এই প্ৰকল্পটো কাৰ্যকৰী হৈ উঠে। ইয়াৰ লগে লগে কাণ্ডলা দেশৰ প্ৰথমটো থলুৱা সেউজ হাইড্ৰজেন প্ৰকল্প থকা বন্দৰ হিচাপে পৰিগণিত হয়। কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি এই প্ৰকল্পটো উদ্বোধন কৰে। ভাৰতে ২০৭০ চনৰ ভিতৰত শূন্য কাৰ্বন নিৰ্গমন প্ৰাপ্তিৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ হৈছে আৰু এই অভিলাষী লক্ষ্য প্ৰাপ্তিৰ বাবে পুনৰ নৱীকৰণযোগ্য শক্তি, সেউজ হাইড্ৰজেন আৰু বহনক্ষম ঔদ্যোগীক ব্যৱস্থাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিছে।

০০০০০

ফিলিপিনছৰ ৰাষ্ট্ৰপতি ফাৰ্ডিনেণ্ড আৰ মাৰ্কোছ্ জুনিয়ৰ পাঁচদিনীয়া ভাৰত ভ্ৰমণসূচীৰে আজি সন্ধিয়া নতুন দিল্লীত উপস্থিত হ'ব। ৰাষ্ট্ৰপতিগৰাকীৰ সৈতে তেওঁৰ পত্নী লুইছ আৰানেটা মাৰ্কোছ্ আৰু কেইবাগৰাকীও কেবিনেট মন্ত্ৰী, জ্যেষ্ঠ বিষয়া আৰু ব্যৱসায় প্ৰতিনিধিৰ এটা উচ্চ পৰ্যায়ৰ দলো আহিব। উল্লেখযোগ্য যে ফিলিপিনছৰ ৰাষ্ট্ৰপতি হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত শ্ৰীমাৰ্কোছৰ এয়া প্ৰথম ভাৰত ভ্ৰমণ। ভ্ৰমণৰ সময়ছোৱাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ফিলিপিনছৰ ৰাষ্ট্ৰপতিগৰাকী দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। শ্ৰীমাৰ্কোছে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুকো সাক্ষাৎ কৰিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ

জয় শংকৰেও ৰাষ্ট্ৰপতি মাৰ্কোছক সাক্ষাৎ কৰাৰ কথা। ফিলিপিনছলৈ উভতি যোৱাৰ পূৰ্বে ৰাষ্ট্ৰপতিগৰাকীয়ে বেংগালুৰুলৈ যাব।

ভাৰত আৰু ফিলিপিনছৰ মাজত ১৯৪৯ চনৰ নৱেম্বৰত কূটনৈতিক সম্পৰ্ক গঢ় লৈ উঠিছিল। তেতিয়াৰে পৰা দেশ দুখনৰ মাজত ব্যৱসায়, বিনিয়োগ, প্ৰতিৰক্ষা, নিৰাপত্তা, সামুদ্ৰিক সহযোগিতা, কৃষি, স্বাস্থ্যসেৱা আৰু ডিজিটেল প্ৰযুক্তি আদি বিভিন্ন ক্ষেত্ৰত বন্ধুত্বপূৰ্ণ সম্পৰ্ক আছে। ভাৰতৰ আছিয়ানৰ সৈতে থকা সৰ্বাত্মক কৌশলগত অংশীদাৰিত্বৰ জৰিয়তে ফিলিপিনছৰ সৈতে আঞ্চলিক পৰ্যায়ৰ বিভিন্ন ক্ষেত্ৰতো বন্ধুত্বপূৰ্ণ সম্পৰ্ক আছে। এক্ট-ইষ্ট নীতি, মহাসাগৰ, ভাৰত-প্ৰশান্ত মহাসাগৰীয় দৃষ্টিভংগীৰ ক্ষেত্ৰত ফিলিপিনছৰ সৈতে থকা ভাৰতৰ সম্পৰ্ক বিশেষভাৱে গুৰুত্বপূৰ্ণ। ভাৰত-ফিলিপিনছৰ বন্ধুত্বপূৰ্ণ সম্পৰ্কৰ এইবাৰ ৭৫ বছৰ সম্পন্ন হ'ব। এই ভ্ৰমণে দ্বিপাক্ষিক সহযোগিতা আৰু পাৰস্পৰিক স্বাৰ্থজড়িত আঞ্চলিক তথা আন্তঃৰাষ্ট্ৰীয় বিষয়সমূহৰ ক্ষেত্ৰত থকা দেশ দুখনৰ মাজৰ সম্পৰ্কক আৰু অধিক শক্তিশালী কৰাৰ সুযোগ প্ৰদান কৰিব বুলি আশা কৰা হৈছে।

ooooo

নতুন দিল্লীৰ ভাৰত মণ্ডপমত প্ৰথমবাৰৰ বাবে আজি সন্ধিয়া BIMSTEC পাৰম্পৰিক সংগীত মহোৎসৱৰ আয়োজন কৰা হৈছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে এই মহোৎসৱ উদ্বোধন কৰিব। ভাৰত, বাংলাদেশ, ভূটান, ম্যানমাৰ, নেপাল, শ্ৰীলংকা আৰু থাইলেণ্ডৰ শিল্পীসকলে এই সংগীত মহোৎসৱত গীত পৰিৱেশন কৰিব। ভাৰতীয় সাংস্কৃতিক সম্পৰ্ক পৰিষদে আয়োজন কৰা **সপ্ত সুৰ ঃ সাতখন ৰাষ্ট্ৰ, এটা ৰাগ** শীৰ্ষক এই মহোৎসৱত BIMSTECৰ সাতখন ৰাষ্ট্ৰৰ ভিন ভিন সংগীত পৰম্পৰাক উদযাপন কৰা হ'ব। মহোৎসৱৰ উদ্বোধনী কাৰ্যসূচী BIMSTEC সহযোগিতাৰ গুৰুত্বপূৰ্ণ সাংস্কৃতিক মাইলৰ খুঁটি হিচাপে বিবেচিত হ'ব। চলিত বৰ্ষৰ এপ্ৰিলত থাইলেণ্ডত অনুষ্ঠিত BIMSTEC সন্মিলনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিশ্চিত কৰা আঞ্চলিক সাংস্কৃতিক সম্পৰ্ক শক্তিশালী কৰাৰ ক্ষেত্ৰত ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ অংশ হিচাপে এই মহোৎসৱৰ আয়োজন কৰা হৈছে। সকলো দৰ্শকে এই অনুষ্ঠান বিনামূলীয়াকৈ উপভোগ কৰিব পাৰিব।

ooooo

জম্মু-কাশ্মীৰৰ বালতাল আৰু পেহেলগাম দুয়োটা পথেৰে শ্ৰীঅমৰনাথ যাত্ৰা বাতিল কৰা হৈছে। এটা বিবৃতিত কাশ্মীৰৰ বিভাগীয় আয়ুক্ত বিজয় কুমাৰ বিধুৰীয়ে কয়, যে শেহতীয়াকৈ হোৱা প্ৰবল বৰষুণৰ বাবে এই দুয়োটা পথৰ বিস্তৰ ক্ষতি হোৱাত মেৰামতিৰ প্ৰয়োজন হৈ পৰিছে। তেওঁ কয়, যে এই পথছোৱা মেৰামতি কৰি উলিওৱাৰ বাবে একেৰাহে শ্ৰমিক আৰু অন্যান্য যন্ত্ৰপাতি ব্যৱহাৰ কৰা হৈছে যদিও প্ৰশাসনে যাত্ৰা পুনৰ আৰম্ভ কৰিবলৈ সমৰ্থ হোৱা নাই। উল্লেখযোগ্য যে যোৱা ৩ জুলাইত আৰম্ভ হোৱা এই যাত্ৰাত এতিয়ালৈকে ৪ লাখ ১৪ হাজাৰৰো অধিক তীৰ্থযাত্ৰীয়ে পবিত্ৰ অমৰনাথ গুহা দৰ্শন কৰিছে।

ooooo

ভাৰতৰ স্মাৰ্টফোনৰ ৰপ্তানিয়ে ২০২৫-২৬ বিত্তীয় বৰ্ষৰ প্ৰথম তিনিমাহত সৰ্বোচ্চ অভিলেখ গঢ়িছে। বিগত বৰ্ষৰ একেই সময়ৰ তুলনাত এই ৰপ্তানি হাৰ ৫৮ শতাংশ বৃদ্ধি হৈ ৭ দশমিক ৭-২ বিলিয়ন ডলাৰ হৈছেগৈ। তথ্য অনুসৰি এপ'ল কোম্পানীয়ে এইক্ষেত্ৰত ৬০০ কোটি ডলাৰৰ আইফোন ৰপ্তানিৰ জৰিয়তে প্ৰথম স্থানত আছে। উল্লেখযোগ্য যে ভাৰতে ২০২১ বিত্তীয় বৰ্ষত ৩০০ কোটি ডলাৰৰো অধিক স্মাৰ্টফোন ৰপ্তানি কৰিছিল। কিন্তু ২০২৫ বৰ্ষত কেৱল এপ'লৰ এহেজাৰ ৭০০ কোটি ডলাৰৰ জৰিয়তে ভাৰতৰ স্মাৰ্টফোন ৰপ্তানি দুহেজাৰ ৪০০ কোটি ডলাৰলৈ বৃদ্ধি পালে।

ooooo

ভাৰতীয় ৰিজাৰ্ভ বেংকৰ মুদ্ৰানীতি সমিতিৰ ৰেপ' হাৰ কৰ্তন সন্দৰ্ভত তিনিদিনীয়া বৈঠকৰ আজি আৰম্ভ হ'ব। ৰিজাৰ্ভ বেংকৰ গভৰ্ণৰ সঞ্জয় মালহোত্ৰাৰ অধ্যক্ষতাত অনুষ্ঠিত সমিতিৰ বৈঠকৰ সিদ্ধান্তসমূহ বুধবাৰে ঘোষণা কৰা হ'ব। ষ্টেট বেংকৰ প্ৰতিবেদন অনুসৰি, ৰিজাৰ্ভ বেংকৰ মুদ্ৰানীতি সমিতিয়ে দিপাৱলীৰ পূৰ্বে ঋণ বৃদ্ধিৰ উদ্দেশ্য ২৫ বেচিছ পইণ্ট ৰেপ' হাৰ কৰ্তনৰ ঘোষণা কৰিব পাৰে।এছ বি আইৰ প্ৰতিবেদনখনত কোৱা হৈছে যে ফ্ৰণ্ট লোডেড হাৰ কৰ্তনৰ ফলত ঋণ বৃদ্ধিৰ ক্ষেত্ৰত "আগতীয়া দিপাৱলী"ৰ সূচনা কৰিব পাৰে। এই প্ৰতিবেদনৰ মতে , পূৰ্বৰ তথ্যসমূহে কয় যে উৎসৱৰ সময়ত বিশেষকৈ দীপাৱলীৰ সময়ত ৰেপ' হাৰ কৰ্তনৰ ফলত ঋণৰ হাৰ বৃদ্ধি পায়। প্ৰতিবেদনখনত লগতে কোৱা হৈছে যে যিহেতু দীপাৱলী ভাৰতৰ এটা ডাঙৰ উৎসৱ, এই সময়ত গ্ৰাহকে যথেষ্ট ব্যয় কৰে। সেয়ে দিপাৱলীৰ পূৰ্বে কম সূতৰ হাৰৰ পৰিৱেশ ঋণ বৃদ্ধিত সহায়ক হয় । অৱশ্যে কেইবাগৰাকীও অৰ্থনীতিবিদৰ মতে, একেৰাহে তৃতীয়বাৰলৈ মুঠ ১০০ বেচিছ পইণ্ট কৰ্তনৰ পাছত কেন্দ্ৰীয় বেংকে ৰেপ' হাৰ ৫দশমিক ৫ শতাংশতে স্থিৰ কৰিব পাৰে।

00000

কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থা -CBI এ কালি ধন দাবী আৰু গ্ৰহনৰ অভিযোগত মুম্বাইৰ চাহাৰৰ এয়াৰ কাৰ্গো চৌহদৰ পৰা এগৰাকী শুল্ক অধীক্ষকক গ্ৰেপ্তাৰ কৰে। ধৃত অধীক্ষকগৰাকীয়ে আমদানীকৃত চালানসমূহৰ ক্লীয়াৰেঞ্চ দিয়াৰ বাবদ কাষ্টম হাউচ এজেণ্টৰ পৰা ধন ১০লাখ ২০ হাজাৰ টকাৰ উৎকোচ দাবী আৰু গ্ৰহন কৰিছিল।

00000

অভেলত অনুষ্ঠিত এণ্ডাৰছন-তেণ্ডুলকাৰ ট্ৰফীৰ পঞ্চম তথা অন্তিমখন টেষ্টত ইংলেণ্ডে নিজৰ দ্বিতীয় ইনিংছত ৬ উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ৩৩৯ ৰানৰ পৰা আজি পুনৰ খেল আৰম্ভ কৰিব। ইংলেণ্ডক জয়ৰ বাবে মাত্ৰ ৩৫ ৰানৰ প্ৰয়োজন হোৱাৰ বিপৰীতে ভাৰতক এই খেলখনত জয়লাভ তথা এই শৃংখলাত সমতা স্থাপনৰ বাবে বাকী থকা ৪টা উইকেটৰ শীঘ্ৰে পতন হোৱাটো অতি প্ৰয়োজন।

ইয়াৰ পূৰ্বে ঘৰুৱা দলটোৱে ৩৭৪ ৰানৰ লক্ষ্যৰে খেল আৰম্ভ কৰি হেৰি ব্ৰুক আৰু জ' ৰুটৰ শতকৰ সহায়ত শক্তিশালী স্থিতিত উপনীত হয়। ব্ৰুকে ১১১ আৰু জ' ৰুটে ১০৫ ৰান কৰে। অৱশ্যে ভাৰতে খেলখনৰ পাছত সময়ছোৱাত সুন্দৰ বলিঙেৰে কেৱল ৩৬ ৰান দি এটাৰ পাছত এটাকৈ তিনিটা উইকেট দখল কৰে। প্ৰসিদ্ধ কৃষ্ণাই ৩টা উইকেট দখল কৰাৰ বিপৰীতে মহম্মদ ছিৰাজে দুটা আকাশ দীপে এটা উইকেট দখল কৰে।

00000

থাইলেণ্ডৰ ৰাজধানী বেংককত কালি অনুষ্ঠিত 22 বছৰ অনূৰ্ধ বক্সিং প্ৰতিযোগিতা ২০২৫ ৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰতিদ্বন্দীক যোগ্য প্ৰত্যুত্তৰ প্ৰদৰ্শনেৰে ভাৱনা শৰ্মা আৰু য়াত্ৰী পেটেলে চেমি ফাইনেললৈ অগ্ৰসৰ হৈছে।

মহিলাৰ ৪৮ কিল'গ্ৰাম শাখাত ভাৱনা শৰ্মাই ভিয়েটনামৰ প্ৰতিদ্বন্দী নাগ'ক লিন চি নাগ'ক পৰাস্ত কৰে। একেদৰে মহিলাৰ ৫৭ কিল'গ্ৰামৰ যুঁজত য়াত্ৰী পেটেলে শ্ৰী লংকাৰ কীৰ্তাথানা উথ্বায়াকুমাৰৰ বিৰুদ্ধে আত্মবিশ্বাসী প্ৰদৰ্শনেৰে শেষৰ চাৰিটা পৰ্য্যায়ত প্ৰৱেশ কৰি বিজয় সাব্যস্ত কৰে।

00000

সমাপ্ত